জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ২১৭/২০২১

# ৰুদ্ৰাক্ষৰ পুলি ৰোপণেৰে মহানগৰীৰ ফাঁচী বজাৰস্থিত পুৰণি কাৰাগাৰ চৌহদক উদ্ভিদ উদ্যানলৈ ৰূপান্তৰৰ কাম-কাজৰ শুভাৰম্ভ কৰিলে মুখ্যমন্ত্ৰীয়ে

**দিছপুৰ, ১৬ আগষ্ট ঃ** গুৱাহাটী মহানগৰীৰ ফাঁচী বজাৰ এলেকাস্থিত পুৰণি কাৰাগাৰ চৌহদত এখন উদ্ভিদ উদ্যান স্থাপনৰ অংশ হিচাপে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি ৰুদ্ৰাক্ষৰ পুলি ৰোপণ কৰি এই কামৰ শুভাৰম্ভ কৰে।

দেশৰ ৭৫ সংখ্যক স্বাধীনত দিৱস পালনৰ লগত সংগতি ৰাখি আজি ৭৫ টা গছপুলি এই ভূমিত ৰোপণ কৰা হয়। এই কাৰ্যসূচীত গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী আশোক সিংহল, সাংসদ কুইন ওজা আৰু বিধায়ক সিৰ্দ্ধাৰ্থ ভট্টাচাৰ্যৰ লগতে বহুসংখ্যক গণ্য-মান্য ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

উল্লেখ্য যে পুৰণি কাৰাগাৰৰ ৫৬ বিঘা, ২ কঠা, ৫ লেচা ভূমিত ৩৮.৫১ কোটি টকা ব্যয়ৰে উদ্ভিদ উদ্যানৰ লগতে অন্যান্য সা-সুবিধাৰ সৃষ্টি কৰা হ'ব। এই প্ৰস্তাৱিত উদ্ভিদ উদ্যানে মহানগৰবাসীক প্ৰদূষণমুক্ত বায়ু সেৱনৰ দিশত বিশেষভাৱে সহায় কৰিব। এই উদ্ভিদ উদ্যানত ৰোপণ কৰিবলগীয়া বিভিন্ন প্ৰজাতিৰ উদ্ভিদ তথা ঔষধিয়ে পৰিৱেশ সংৰক্ষণ আৰু পৰিৱেশবিদসকলক প্ৰকৃতিৰ বিভিন্ন দিশ অধ্যয়নৰ ক্ষেত্ৰতো বিশেষভাৱে সহায় কৰিব। গুৱাহাটী মহানগৰ উন্নয়ন প্ৰাধিকৰণৰ দ্বাৰা ৰূপায়ণ কৰিবলগীয়া এই অভিলাষী উদ্ভিদ উদ্যানখনে মহানগৰবাসীক অৱসৰ বিনোদনৰ সুবিধা প্ৰদান কৰাৰ উপৰি বিভিন্ন প্ৰজাতিৰ উদ্ভিদ, পদুম পুখুৰী, খাদ্যৰ দোকান, পাৰ্কিং ইত্যাদিৰ ব্যৱস্থা ইয়াত উপলব্ধ থাকিব। আজিৰ এই কাৰ্যসূচীতে মুখ্যমন্ত্ৰীয়ে এক প্ৰেজেণ্টেশ্যনৰ জৰিয়তে প্ৰকল্পটোৰ বিতং বুজ লয়।

**সুঃদঃ / বঃভাঃ**
**১৬/০৮/২০২১**